
পাঠ -১৫

# মহো-হো গীত


অসমৰ জনপ্ৰিয় লোক উৎসৱসমূহৰ ভিতৰত মহো-হো অন্যতম। নামনি অসমৰ প্ৰায়বোৰ ঠাইতে মহো-হো উৎসৱৰ প্ৰচলন আছে। কিন্তু ঠাইভেদে মহো-হো গীতবোৰ অলপ বেলেগ বেলেগ হয় আৰু এই গীতত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ উচ্চাৰণৰ ক্ষেত্ৰতো অঞ্চলভেদে পাৰ্থক্য দেখা যায়।

ও হৰি মহো-হৌ।
মহ মাইৰ্বা টকান লউ।।
মহ গেল মহ্মহওঁতে।
হিদাল গাছত গাও ঘহাওঁতে।।
হিদেলি পৰিল।
সকল মহে মৰিল।।





হিদেলি ভাইৰে।
টেপৰ পুৰা খাইৰে।।
টেপৰত নহল নুণ।
চাউল কড়ি একো দোণ।।
চাউল নেদি দিলাক কড়ি।
আথেৰ ঘৰত লৰি-চৰি।।



লৰি-চৰি যাওঁতে।
সোণাৰ কড়ি পাওঁতে।।
সোণাৰ কড়ি ৰূপাৰ মালা।
আথেৰ ঘৰ দেইখ্বা ভালা।।



বাঁহৰ পাত চাকা চাকা।
আমাক দিবো টাকা।।
বাঁহৰ পাত চিকি মিকি।
আমাক দিবো সিকি সিকি।।



হাল বালা সিৰালে।
মৈ দিলা পাটে।।
মহৰ মাকোক পাৰ কইৰ্লু।
বুঢ়াদিয়াৰ ঘাটে।।

*(উৎসঃ 'বাৰমাহৰ তেৰগীত', পৃষ্ঠা-১২৩, সম্পাদনা-প্ৰফুল্লদত্ত গোস্বামী, দ্বিতীয় তাঙৰণ-১৯৯০, প্ৰকাশক-সাহিত্য অকাডেমী, নতুন দিল্লী)*

☞ *গীতটো প্ৰথমে দলগতভাৱে আৰু পাছত এজন এজনকৈ প্ৰত্যেককে গাবলৈ দিব। শুদ্ধভাৱে গোৱাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

- **গীতটোত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ মান্য অসমীয়াৰ ৰূপবোৰ জানো আহা।**

| | | | | | |
|---|---|---|---|---|---|
| মাইৰ্বা | — | মাৰিবলৈ | টকান | — | টাঙোন |
| লউ | — | ল | গেল | — | গ'ল |
| মহ্মহওঁতে | — | কুন্কুনাওঁতে | গাছত | — | গছত |
| গাও | — | গা/শৰীৰ | ঘহাওঁতে | — | ঘহোঁতে |
| হিদেলি | — | হিদল | নহল | — | নহ'ল |
| নুণ | — | নিমখ/লোণ | নেদি | — | নিদি |
| দিলাক | — | দিলে | আথেৰ | — | এওঁলোকৰ/ইহঁতৰ |
| লৰি-চৰি | — | লৰা-ধপৰাকৈ | সোণাৰ | — | সোণৰ |
| ভালা | — | ভাল | দেইখ্বা | — | দেখিবলৈ |
| চাকা চাকা | — | চক্চকীয়া | টাকা | — | টকা |
| চিকি মিকি | — | চিক্মিকীয়া | দিবো | — | দিব |
| সিৰালে | — | সীৰলুৰে | সিকি | — | পঁচিশ পইচাৰ মুদ্ৰা (এতিয়া অপ্ৰচলিত) |
| কইৰ্লু | — | কৰিলোঁ | | | |

- **মহো-হো গীতটোৰ মূল কথাখিনি মান্য অসমীয়াৰ ৰূপত জানো আহা।**

| | | |
|---|---|---|
| অ' হৰি<br>মহো-হো<br>মহ মাৰিবলৈ টাঙোন ল<br>মহ গ'ল কুন্‌কুনাই<br>হিদল গছত গা ঘহোঁতে<br>হিদল পৰিল<br>সকলোবোৰ মহ মৰিল। | হিদল ভাই অ'<br>টেপৰ পোৰা খায়<br>টেপৰত নহ'ল লোণ<br>চাউল কড়ি একো দোণ<br>চাউল নিদি দিলে কড়ি<br>ইহঁতৰ ঘৰত লৰি-চৰি<br>বাঁহৰ পাত চক্‌মকীয়া<br>আমাক দিব টকা | বাঁহৰ পাত চিকি মিকি<br>আমাক দিব সিকি সিকি<br>হাল বালে সীৰলু দি<br>মৈ দিলে পাটে<br>মহৰ মাকক পাৰ কৰালোঁ<br>বুঢ়াদিয়াৰ ঘাটে।। |

ক্ৰিয়া-কলাপ

## ক — পাঠভিত্তিক ক্ৰিয়া

১) **মহো-হো গীতটো শুদ্ধ উচ্চাৰণেৰে পদ্য হিচাপে পঢ়া আৰু আটায়ে মিলি অংগ-ভংগীৰে পৰিৱেশন কৰা।**

২) **পাঠত দিয়া মহো-হো গীতটোৰ অন্ত্যধ্বনি মিল থকা শব্দবোৰ বাছি উলিয়াই লিখা।**

**উদাহৰণ— হৌ-লউ**

৩) **পাঠত দিয়া মহো-হো গীতটোত দুবিধ কৃষি-সঁজুলিৰ নাম আছে। সঁজুলি দুবিধ কি কি? সঁজুলি দুবিধৰ ছবি আঁকা।**

৪) **উত্তৰ দিয়া।**

(ক) মহ মাৰিবলৈ চেমনীয়াহঁতে হাতে হাতে কি লৈছে?

(খ) হিদাল গছত গা ঘহাওঁতে কি হ'ল?

(গ) মহ খেদিবলৈ যোৱা ল'ৰাহঁতক গৃহস্থই চাউলৰ সলনি কি দিছে?

(ঘ) 'টাকা' আৰু 'সিকি' মানে কি?

(ঙ) মহো-হো গীতটোত উল্লেখ থকা নৈখনৰ নাম লিখা।

☞ *মালিতা, বিহুগীত, বনগীত আদিৰ উদাহৰণ দি ছাত্ৰ-ছাত্ৰীক বুজাই দিব যে আন লোকগীত কিছুমানৰ দৰে পাঠত দিয়া মহো-হো গীতটোৰো সকলো পংক্তিৰ অৰ্থৰ মাজত সংগতি স্থাপন কৰিব নোৱাৰি। প্ৰায়বোৰ লোকগীততে কেৱল অন্ত্যমিল আৰু ছন্দ ৰক্ষাৰ বাবে কেতবোৰ ওপৰঞ্চি পংক্তি সংযোগ কৰা হয়।*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৫) তলৰ পদবোৰত কি কি বিভক্তি যুক্ত হৈছে লিখা।

| পদ | বিভক্তি |
|---|---|
| মাকোক | |
| টেপৰত | |
| ৰূপাৰ | |
| সিৰালে | |
| সোণাৰ | |
| বুঢ়াদিয়াৰ | |
| ঘাটে | |

৬) মহো-হো গীতটোত থকা পাঁচটা বিশেষ্য পদ আৰু পাঁচটা ক্ৰিয়াপদ বাছি উলিয়াই তাৰ মান্যৰূপবোৰ লিখা।

৭) বাক্য ৰচনা কৰা।

চক্‌চকীয়া, চিক্‌মিকীয়া, সিকি, সীৰলু, টাঙোন

৮) পাঠত দিয়া মহো-হো গীতটোৰ পৰা তলত দিয়া শব্দবোৰৰ মান্য অসমীয়াৰ ৰূপবোৰ লিখা।

টকান.........................

মাইৰ্‌বা.........................

গাছত.........................

নুণ.........................

দিলাক.........................

দেইখ্‌বা.........................

মাকোক.........................

কইৰ্‌লু.........................

## জানো আহা

খৰালিকালত বহুদিন বৰষুণ নহ'লে মানুহৰ বহুত অসুবিধা হয়। কুঁৱাবোৰ শুকাই যায়, পথাৰত চিৰাল-ফাঁট দিয়ে। তেতিয়া মানুহে ভেকুলী দুটা ধৰি আনি দৰা-কইনা সজাই সিহঁতৰ মাজত বিয়া পাতি দিয়ে। এনেদৰে ভেকুলীৰ বিয়া পাতিলে বৰষুণ দিয়ে বুলি লোকসমাজে বিশ্বাস কৰে। এই বিয়াত মানুহৰ বিয়াৰ প্ৰায়বোৰ আচাৰ-অনুষ্ঠান সংক্ষিপ্ত ৰূপত পালন কৰা হয়। তলত উজনি অসমত ভেকুলী বিয়াত গোৱা দুফাকিমান বিয়ানাম তুলি দিয়া হ'ল—

(ক) চোৱা পানী খহুলী ভেকুলীৰ
চোৱা পানী বিয়াখন পাতিছে
চোৱা পানী ৰাইজে বেৰি বেৰি চায় ৰাম ৰাম।।

.........................................................

(খ) চোৱা পানী বায়ু দেৱক
চোৱা পানী মেঘে নমুৱালে
চোৱা পানী সাতদিন বৰষুণ দি ৰাম ৰাম।।

.........................................................



(গ) চোৱা পানী খহুলী ভেকুলী
চোৱা পানী চুকৰে সুন্দৰী
চোৱা পানী তোক জানো কিহবাই পালে ৰাম ৰাম।।

**৯) তুমি দেখা যি কোনো এটা লোক উৎসৱৰ বিষয়ে বৰ্ণনা কৰা।**

*লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাসবোৰৰ বৈজ্ঞানিক ভিত্তি থাককেই বা নাথাককেই, এইবোৰে কিন্তু আমাৰ লোকসমাজক বিচিত্ৰ আৰু বৰ্ণময় কৰি ৰাখিছে। লগতে আনন্দৰ খোৰাকো যোগাইছে। যুগ-যুগান্তৰৰ পৰা চলি অহা লোক উৎসৱৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবা আৰু এইবোৰক সংস্কৃতিৰ সম্পদ বুলি গণ্য কৰিবা।*

১০) শ্ৰেণীকোঠাৰ বাহিৰত শিক্ষকৰ সহায়ত লোক উৎসৱ সম্পৰ্কীয় আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা পাতা।

১১) তলত উল্লেখ কৰা লোকগীতসমূহৰ যিকোনো দুটাৰ বিষয়ে টোকা যুগুত কৰা। তুমি নিলিখা আৰু তোমাৰ সহপাঠীয়ে লিখা বিষয়ৰ টোকা সংগ্ৰহ কৰা আৰু পঢ়া।

(ক) নাওখেলৰ গীত

(খ) আই সবাহৰ গীত

(গ) আইনাম

(ঘ) টোকাৰী গীত

(ঙ) গৰখীয়া গীত

(চ) সুবচনী নাম

(ছ) হাউখেলৰ গীত



জানো আহা

লোকগীতসমূহ অনাখৰী (নিৰক্ষৰ) গ্ৰাম্য লোকৰ সৃষ্টি। মৌখিক ৰূপত সৃষ্টি হোৱা লোকগীতবোৰ যুগে যুগে ইজনৰ মুখৰ পৰা সিজনৰ মুখলৈ বাগৰি আহি আছে। এনেদৰে মুখ-বাগৰি যাওঁতে স্থান, কাল, পাত্ৰভেদে গীতবোৰৰ অলপ তাৰতম্য ঘটে। আখৰ চিনি নোপোৱা মানুহৰ এই সুন্দৰ সৃষ্টিবোৰৰ মাজত লোকজীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, আৱেগ-অনুভূতি নিহিত হৈ থাকে। অনাখৰী লোকসমাজত সৃষ্টি হোৱা আইনাম, ধাইনাম, বিয়ানাম, বিহুগীত আদি প্ৰায়বোৰ গীতকে লোকগীত বুলিব পাৰি। যুগ-যুগান্তৰে চলি অহা এই গীতবোৰ সাম্প্ৰতিক কালত লিপিবদ্ধ কৰি পুথি আকাৰে ছপা কৰা হৈছে। বৰ্তমানো নিৰক্ষৰ লোকসমাজত অলিখিত ৰূপত লোকগীত ৰচিত হৈ আছে।

## ঘ — প্ৰকল্প

- তোমাৰ অঞ্চলত প্ৰচলিত লোকগীতবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰা আৰু শ্ৰেণীত পৰিৱেশন কৰা।